অসম বিধান সভা

তৰাচিহ্নিত প্ৰশ্ন নং– ১৯২

উত্তৰ দানৰ তাৰিখঃ ২৩/০৭/২০২৬

বিষয় ঃ NESIDS-OTRI আৰ্চঁনিৰ অধীনত ৰংজুলি উচ্চতৰ মাধ্যমিক বিদ্যালয় নিৰ্মাণ সম্পৰ্কে।
বিধায়কৰ নাম ঃ শ্ৰী টংকেশ্বৰ ৰাভা

প্ৰশ্ন ঃ

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰংজুলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বৰ্তমানৰ Drawing খন পুনৰ পৰ্য্যালোচনা কৰি প্ৰয়োজনীয় সংশোধনসহ Revised Plan আৰু Estimate প্ৰস্তুত কৰাৰ বাবে কোনো পদক্ষেপ গ্ৰহণ কৰাৰ ব্যৱস্থা কৰিব নেকি ?

(খ) যদি কৰে, তেন্তে এই সন্দৰ্ভত গ্ৰহণ কৰা পদক্ষেপসমূহ কি কি আৰু কেতিয়ালৈ সংশোধিত পৰিকল্পনা কাৰ্য্যকৰী কৰা হ'ব ? সদনত জনাব।

(গ) NESIDS-OTRI আঁচনিৰ অধীনত ৰাজ্যৰ বিভিন্ন প্ৰান্তত নিৰ্মীয়মান বা নিৰ্মাণ হ'বলগীয়া বিদ্যালয়সমূহৰ নক্সা আৰু নিৰ্মাণৰ মানদণ্ড পুনৰ পৰ্য্যালোচনা কৰা, প্ৰয়োজনীয় সংশোধন কাৰ্য্যকৰী কৰাৰ বাবে চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ কৰিব নেকি ?

উত্তৰঃ

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু মহোদয়ে উত্তৰ দিব ঃ

(ক) ৰংজুলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বৰ্তমানৰ Drawing সমূহ সংশ্লিষ্ট পক্ষসমূহৰ সৈতে পৰ্যালোচনা আৰু আলোচনা কৰা হৈছে। আলোচনাৰ ভিত্তিত অনুমোদিত অংকনত কোনো ধৰণৰ সংশোধনৰ প্ৰয়োজন নাই বুলি সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। সেয়েহে, Revised Plan আৰু Estimate প্ৰস্তুত কৰাৰ কোনো প্ৰয়োজন নাই।

(খ) প্ৰযোজ্য নহয়।

(গ) NESIDS-OTRI আৰ্চঁনিৰ অধিনত ৫০ খন বিদ্যালয়ৰ ৰূপান্তৰণৰ কামসমূহ হোৱাৰ অন্তিম পৰ্যায়ত উপনীত হৈছে। মুঠ ৫০ খন বিদ্যালয়ৰ ভিতৰত ২৪ খন বিদ্যালয়ৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে আৰু অৱশিষ্ট ২৬ খন বিদ্যালয়ৰ কাম ২০২৬ চনৰ অক্টোবৰ মাহৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। সেয়েহে বৰ্তমান পৰ্যায়ত অনুমোদিত Drawing ত কোনো ধৰণৰ পৰিৱৰ্তন কৰাৰ সুযোগ নাই। লগতে, নিৰ্মাণকাৰ্যৰ গুণগত মানো নিৰ্ধাৰিত নিয়ম, কাৰিকৰী নিৰ্দিষ্টকৰণ আৰু প্ৰযোজ্য মানণ্ডসমূহ অনুসৰি বজাই ৰখা হৈছে।

NESIDS-OTRI আৰ্চঁনিৰ অধীনৰ অনুমোদন নং NESIDS-12012(1)/1/2024, তাৰিখ 03/01/2025 অনুসৰি মুঠ ৬৫ খন বিদ্যালয়ৰ ভিতৰত ৬৩ খন বিদ্যালয়ৰ নিৰ্মাণকাৰ্য বৰ্তমান অগ্ৰগতিত আছে। অৱশিষ্ট ২ খন বিদ্যালয়, অৰ্থাৎ বৰপেটা জিলাৰ হাথিনাপুৰ বিদ্যামন্দিৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু দৰং জিলাৰ বুঢ়ীদিহিং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নিৰ্মাণকাৰ্য এতিয়াও আৰম্ভ কৰিব পৰা হোৱা নাই।

হাথিনাপুৰ বিদ্যামন্দিৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ক্ষেত্ৰত বিদ্যালয় কৰ্তৃপক্ষই খেলপথাৰ সংৰক্ষণৰ স্বাৰ্থত অসম টাইপ গাঁথনিৰ পৰিবৰ্তে RCC G+1 ভৱন নিৰ্মাণৰ প্ৰস্তাৱ দাখিল কৰিছে। উক্ত প্ৰস্তাৱ অনুমোদনৰ বাবে লোক নিৰ্মাণ বিভাগে সমগ্ৰ শিক্ষা অসমৰ জৰিয়তে ব্যৱস্থা কৰা হৈ আছে।

আনহাতে, বুঢ়িদিহিং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নিৰ্মাণস্থলীত মাটিৰ গুণগত মান নিম্ন হোৱাৰ বাবে পাইল ফাউণ্ডেচন (Pile Foundation) ৰ প্ৰয়োজন হৈছে।এই সন্দৰ্ভত প্ৰয়োজনীয় কাৰিকৰী ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু অনুমোদন লাভ কৰাৰ পিছতে নিৰ্মাণকাৰ্য্য আৰম্ভ কৰা হ'ব।

(উক্ত প্ৰশ্নোত্ত National e-Vidhan Application (NeVA) পৰ্টেলত উপলব্ধ কৰা হৈছে।)

*************************